**ASSAM LEGISLATIVE ASSEMBLY**
**(BUDGET SESSION, 2016)**
**LIST OF BUSINESS FOR –**
**Monday, the 18th July,2016**
**(From 9.00 A.M.)**

## GOVERNMENT BUSINESS

1. **Questions**

2. The Speaker to announce the Report of the Business Advisory Committee.

3. The Speaker to announce the names of the Members constituting the panel of Chairmen under Rule 9(1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly.

4. Shri Aminul Islam to call the attention of the Minister, Fishery Department under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the **"Niyomiya Barta"** dated the 1st July, 2016 under the caption – **"মৎস মিত্ৰৰ প্ৰশিক্ষণৰ নামত দুৰ্নীতিৰ অভিযোগ ।"**

5. Shri Pabindra Deka to draw the attention of the Minister, Food & Civil Supplies Department by raising the matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to – **"অত্যাবশ্যকীয় সামগ্ৰীকে ধৰি আন আন সকলো ধৰণৰ সামগ্ৰীৰ আকাশলংঘী মূল্য বৃদ্ধিয়ে অসমৰ জনজীৱন বিপৰ্য্যস্ত আৰু দুৰ্বিসহ কৰি তুলিছে। এনে বিপৰ্য্যস্ত আৰু দুৰ্বিসহ অৱস্থাৰ অৱসান ঘটাবলৈ চৰকাৰে কঠোৰ ব্যৱস্থা লোৱাটো অতি প্ৰয়োজন হৈছে ।"**

6. Dr. Himanta Biswa Sarma (Minister, Finance etc.) to beg leave to introduce "The Assam Amusements and Betting Tax (Amendment) Bill, 2016".

   (If leave is granted to introduce the Bill)

7. Shri Chandra Mohan Patowary , Minister, Parliamentary Affairs to lay the Report of the Comptroller & Auditor General of India on (i) **Social, General and Economic (Non – PSUs) Sectors (Report No. 1 of 2016) and (ii) State Finances** for the year ended 31st March, 2015 relating to the Government of Assam.

8. Shri Chandra Mohan Patowary , Minister, Parliamentary Affairs to lay the Report of the **Appropriation Accounts 2014-15 and Finance Accounts (Vol. 1 & 2)** 2014-15 relating to the Government of Assam.

9. Shri Chandra Mohan Patowary , Minister, Parliamentary Affairs to lay the Report of the Comptroller & Auditor General of India on **Revenue Sector** (Report No. 4 of 2015) for the year ended 31st March, 2015 relating to the Government of Assam.

10. Shri Chandra Mohan Patowary, Minister, Parliamentary Affairs to lay the Report of the Comptroller & Auditor General of India on Public Sector Undertakings for the year ended 31st March, 2015.

11. Shri Chandra Mohan Patowary, Minister, Parliamentary Affairs to lay the Report of the Comptroller & Auditor General of India on Local Bodies for the year ended 31st March, 2015 relating to the Government of Assam.

12. Dr. Himanta Biswa Sarma (Minister, Finance etc.) to lay the Extraordinary Gazette Notification No. FTX 126/99/19, dtd. 2nd July, 2016.

13. Dr. Himanta Biswa Sarma (Minister, Finance etc.) to lay the Extraordinary Gazette Notification No. FTX 126/99/20, dtd. 2nd July, 2016.

14. Dr. Himanta Biswa Sarma (Minister, Finance etc.) to lay the Extraordinary Gazette Notification No. FTX 55/2005/Pt-VII/28, dtd. 2nd July, 2016.

15. Dr. Himanta Biswa Sarma (Minister, Finance etc.) to lay the Extraordinary Gazette Notification No. FTX 55/2005/Pt-VII/29, dtd. 2nd July, 2016.

16. Dr. Himanta Biswa Sarma (Minister, Finance etc.) to lay the Extraordinary Gazette Notification No. FTX 55/2005/Pt-VII/31, dtd. 2nd July, 2016.

17. Dr. Himanta Biswa Sarma (Minister, Finance etc.) to lay the Extraordinary Gazette Notification No. FTX 90/2004/Pt-II/70, dtd. 2nd July, 2016.

18. Dr. Himanta Biswa Sarma (Minister, Guwahati Development Department etc.) to lay the Extraordinary Gazette Notification No. GDD 102/2015/145, dtd. 26th February, 2016.

19. Dr. Himanta Biswa Sarma (Minister, Guwahati Development Department etc.) to lay the Extraordinary Gazette Notification No. GDD 72/2012/Pt-II/154, dtd. 26th February, 2016.

20. Dr. Himanta Biswa Sarma (Minister, Guwahati Development Department etc.) to lay the Extraordinary Gazette Notification No. GDD 29/2008/Pt./277, dtd. 26th February, 2016.

21. Dr. Himanta Biswa Sarma (Minister, Guwahati Development Department etc.) to lay the Extraordinary Gazette Notification No.GDD 03/2015/Pt.-V/83, dtd. 17th June, 2016.

22. Shri Pallab Lochan Das, (Minister of State (Ind. Charge), Power etc.) to lay the Extraordinary Gazette Notification No. AERC 157/2005/Part.-I/51, dtd. 4th June, 2016.

23. Shri Keshab Mahanta (Minister, Water Resources etc.) to lay the Annual Administrative Report of Water Resources Department, Government of Assam for the Year 2014-2015.

24. Shri Pallab Lochan Das, (Minister of State (Ind. Charge), Power etc.) to lay the 12th Annual Report & Accounts of Assam Electricity Grid Corporation Limited for the Year 2014-15.

25. Shri Chandra Mohan Patowary, Hon'ble Minister, Parliamentary Affairs to move :

"This House do elect one Member under the provision of Rule194 (3) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly from amongst its Members according to the principle of proportional representation by means of the single transferable vote to the Committee on the Welfare of Scheduled Castes and Schedule Tribes, Assam Legislative Assembly to fill-up a vacancy caused due to resignation by the Hon'ble Member Dr. Mansing Rongpi from his 20-Baithalngso seat on 13th July, 2016, to hold office for the remaining period of the term of the Committee."

(The Principal Secretary will notify date, time and place for holding election, if necessary)

26. Presentation of the list of Supplementary Demand and Supplementary Appropriation, for 2016-2017.

27. Obituary References.

DISPUR :
Dated the 18th July, 2016.

**M. K. Deka,**
Principal Secretary,
Assam Legislative Assembly.

# অসম বিধান সভা

(বাজেট অধিবেশন, ২০১৬ চন)

সোমবাৰ, ১৮ জুলাই, ২০১৬ চনৰ কাৰ্য্য তালিকা

(পুৱা ৯ বজাৰ পৰা )

## চৰকাৰী কাৰ্য্যসূচী

১। প্ৰশ্ন সমূহ ।

২। অধ্যক্ষই **২০১৬** চনৰ বাজেট অধিবেশনৰ বাবে কাৰ্য্যসূচী স্থিৰ কৰি কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন ঘোষণা কৰিব । ।

৩। অধ্যক্ষই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৯ (১) নিয়মৰ অধীনত সদন পৰিচালনাৰ বাবে মনোনীত সভাপতি সকলৰ নাম ঘোষণা কৰিব ।

৪। শ্ৰীআমিনুল ইছলামে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০১৬ চনৰ ১ জুলাই তাৰিখৰ "নিয়মীয়া বাৰ্ত্তা" কাকতত প্ৰকাশিত "মৎস্য মিত্ৰৰ প্ৰশিক্ষণৰ নামত দুৰ্নীতিৰ অভিযোগ ।" শীৰ্ষক বাতৰিটোৰ প্ৰতি মীন বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব।

৫। শ্ৰীপবিন্দ্ৰ ডেকাই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত "**অত্যাৱশ্যকীয় সামগ্ৰীকে ধৰি আন আন সকলো ধৰণৰ সামগ্ৰীৰ আকাশলংঘী মুল্য বৃদ্ধিয়ে অসমৰ জনজীৱন বিপৰ্য্যস্ত আৰু দুৰ্বিসহ কৰি তুলিছে। এনে বিপৰ্য্যস্ত আৰু দুৰ্বিসহ অৱস্থাৰ অৱসান ঘটাবলৈ চৰকাৰে কঠোৰ ব্যৱস্থা লোৱাটো অতি প্ৰয়োজন হৈছে।**" শীৰ্ষক বিষয়টো উৎথাপনৰ জৰিয়তে খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব।

৬। ড° হিমন্ত বিশ্ব শৰ্ম্মা ( মন্ত্ৰী, বিত্ত ইত্যাদি ) ই "দি আসাম এমিউজমেণ্ট এণ্ড বেটিং টেক্স (এমেণ্ডমেণ্ট) বিল, ২০১৬" খন উপস্থাপন কৰিবলৈ অনুমতি বিচাৰিব ।
( যদি অনুমতি দিয়ে বিধেয়কখন উপস্থাপন কৰিব )

৭। শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ ২০১৫ চনৰ ৩১ মাৰ্চ পৰ্যন্ত বছৰটোৰ বাবে অসম চৰকাৰ সম্পৰ্কীয় (১) ৰাজ্যিক বিত্ত আৰু (২) সামাজিক, সাধাৰণ আৰু অৰ্থনৈতিক ( অনা-ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান) খণ্ডৰ (১ নং ২০১৬) প্ৰতিবেদন কেইখন উপস্থাপন কৰিব ।

৮। শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ ২০১৪-২০১৫ চনৰ ৩১ মাৰ্চ পৰ্যন্ত বছৰটোৰ বাবে অসম চৰকাৰ সম্পৰ্কীয় বিনিয়োজন হিচাপ আৰু বিত্তীয় হিচাপ ( খণ্ড -১ আৰু ২)২০১৪-২০১৫ প্ৰতিবেদন কেইখন উপস্থাপন কৰিব ।

৯। শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ ২০১৫ চনৰ ৩১ মাৰ্চ পৰ্যন্ত বছৰটোৰ বাবে অসম চৰকাৰ সম্পৰ্কীয় ৰাজহ খণ্ডৰ ( ৪ নং ২০১৫) প্ৰতিবেদনখন উপস্থাপন কৰিব ।

১০। শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ (ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ ওপৰত) ২০১৫ চনৰ ৩১ মাৰ্চত শেষ হোৱা প্ৰতিবেদনখন দাখিল কৰিব ।

১১। শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ ২০১৫ চনৰ ৩১ মাৰ্চ পৰ্যন্ত বছৰটোৰ বা বে অসম চৰকাৰ সম্পৰ্কীয় স্থানীয় নিকায় সমূহৰ প্ৰতিবেদনখন দাখিল কৰিব ।

১২। ড° হিমন্ত বিশ্ব শৰ্ম্মা ( মন্ত্ৰী, বিত্ত ইত্যাদি ) ই অসাধাৰণ ৰাজপত্ৰ অধিসূচনা নং এফ টি এক্স ১২৬/৯৯/১৯, তাৰিখ ২ জুলাই,২০১৬ খন দাখিল কৰিব ।

১৩। ড° হিমন্ত বিশ্ব শৰ্ম্মা ( মন্ত্ৰী, বিত্ত ইত্যাদি ) ই অসাধাৰণ ৰাজপত্ৰ অধিসূচনা নং এফ টি এক্স ১২৬/৯৯/২০ তাৰিখ ২ জুলাই, ২০১৬ খন দাখিল কৰিব ।

১৪। ড° হিমন্ত বিশ্ব শৰ্ম্মা ( মন্ত্ৰী, বিত্ত ইত্যাদি ) ই অসাধাৰণ ৰাজ পত্ৰ অধিসূচনা নং এফ টি এক্স ৫৫/২০০৫/ পি.টি-VII/২৮, তাৰিখ ২ জুলাই, ২০১৬ খন দাখিল কৰিব ।

১৫। ড° হিমন্ত বিশ্ব শৰ্ম্মা ( মন্ত্ৰী, বিত্ত ইত্যাদি ) ই অসাধাৰণ ৰাজপত্ৰ অধিসূচনা নং এফ টি এক্স ৫৫/২০০৫/ পি.টি-VII/২৯, তাৰিখ ২ জুলাই, ২০১৬ খন দাখিল কৰিব ।

১৬। ড° হিমন্ত বিশ্ব শৰ্ম্মা ( মন্ত্রী, বিত্ত ইত্যাদি ) ই অসাধাৰণ ৰাজপত্ৰ অধিসূচনা নং এফ টি এক্স ৫৫/২০০৫/ পি.টি-VII/৩১, তাৰিখ ২ জুলাই, ২০১৬ খন দাখিল কৰিব ।

১৭। ড° হিমন্ত বিশ্ব শৰ্ম্মা ( মন্ত্রী, বিত্ত ইত্যাদি ) ই অসাধাৰণ ৰাজপত্ৰ অধিসূচনা নং এফ টি এক্স ৯০/২০০৪/ পি.টি-II/৭০, তাৰিখ ২ জুলাই, ২০১৬ খন দাখিল কৰিব ।

১৮। ড° হিমন্ত বিশ্ব শৰ্ম্মা ( মন্ত্রী, গুৱাহাটী উন্নয়ন ইত্যাদি ) ই অসাধাৰণ ৰাজপত্ৰ অধিসূচনা নং জি ডি ডি ১০২/২০১৫/১৪৫, তাৰিখ ২৬ ফেব্ৰুৱাৰী, ২০১৬ খন দাখিল কৰিব ।

১৯। ড° হিমন্ত বিশ্ব শৰ্ম্মা ( মন্ত্রী, গুৱাহাটী উন্নয়ন ইত্যাদি ) ই অসাধাৰণ ৰাজপত্ৰ অধিসূচনা নং জি ডি ডি ৭২/২০১২/ পি.টি-II/১৫৪, তাৰিখ ২৬ ফেব্ৰুৱাৰী, ২০১৬ খন দাখিল কৰিব ।

২০। ড° হিমন্ত বিশ্ব শৰ্ম্মা ( মন্ত্রী, গুৱাহাটী উন্নয়ন ইত্যাদি ) ই অসাধাৰণ ৰাজপত্ৰ অধিসূচনা নং জি ডি ডি ২৯/২০০৮/ পি.টি/২৭৭, তাৰিখ ২৬ ফেব্ৰুৱাৰী, ২০১৬ খন দাখিল কৰিব ।

২১। ড° হিমন্ত বিশ্ব শৰ্ম্মা ( মন্ত্রী, গুৱাহাটী উন্নয়ন ইত্যাদি ) ই অসাধাৰণ ৰাজপত্ৰ অধিসূচনা নং জি ডি ডি ০৩/২০১৫/ পি.টি-V/৮৩, তাৰিখ ১৭ জুন, ২০১৬ খন দাখিল কৰিব ।

২২। শ্ৰীপল্লৱ লোচন দাস ( ৰাজ্যিক মন্ত্রী, (স্বতন্ত্ৰ ) শক্তি ইত্যাদি ) য়ে অসাধাৰণ ৰাজপত্ৰ অধিসূচনা নং এ ই আৰ চি ১৫৭/২০০৫/ পি.টি-I/৫১, তাৰিখ ৪ জুন, ২০১৬ খন দাখিল কৰিব ।

২৩। শ্ৰী কেশৱ মহন্ত ( মন্ত্রী, জলসম্পদ ইত্যাদি ) ই ২০১৪-১৫ চনৰ বাবে অসম চৰকাৰৰ জলসম্পদ বিভাগৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদনখন দাখিল কৰিব ।

২৪। শ্ৰীপল্লৱ লোচন দাস ( ৰাজ্যিক মন্ত্রী, (স্বতন্ত্ৰ ) শক্তি ইত্যাদি ) য়ে অসম ইলেক্‌ট্ৰিচিটি গ্ৰীড কৰপোৰেশ্বন লিমিটেডৰ ২০১৪-১৫ চনৰ বছৰটোৰ ১২ তম্ বাৰ্ষিক প্ৰতিবেদন আৰু হিচাপ সমূহ দাখিল কৰিব ।

২৫। শ্রীচন্দ্রমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমাই প্ৰস্তাৱ কৰিব যে ঃ-

"এই সদনে মাননীয় সদস্য ডাঃ মানসিং ৰংপীয়ে ১৩ জুলাই, ২০১৬ তাৰিখে ২০ নং বৈঠালাংছু সমষ্টিৰ সদস্য পদৰ পৰা পদত্যাগ কৰাত অসম বিধান সভাৰ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি কল্যাণ সমিতিৰ সদস্য পদটো খালী হোৱাত, পদটো পূৰণ কৰিবলৈ অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৯৪(৩) ৰ অধীনত একল সংক্ৰমনীয় ভোটেৰে আনুপাতিক প্ৰতিনিধিত্ব নীতি অনুসৰি সদনৰ সদস্য সকলৰ মাজৰ পৰা এজন সদস্যক উক্ত সমিতিৰ বাকী থকা কাৰ্য্যকালৰ বাবে সদস্য হিচাবে নিৰ্বাচিত কৰিব ।"

( আৱশ্যক হ'লে প্ৰধান সচিবে নিৰ্বাচনৰ তাৰিখ, সময় আৰু স্থানৰ জাননী দিব ।)

২৬। ২০১৬-২০১৭ চনৰ পৰিপূৰক দাবী আৰু পৰিপূৰক বিনিয়োজনৰ তালিকা উপস্থাপন কৰিব ।

২৭। মৃত্যু প্ৰসঙ্গ ।

দিশপুৰ ঃ
১৮ জুলাই, ২০১৬ চন

**মৃগেন্দ্ৰ কুমাৰ ডেকা,**
**প্ৰধান সচিব,**
**অসম বিধান সভা**

................